# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 31-03-2024
**Time :** 01-40 hrs

ASSAMESE MIDDAY BULLETIN
**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা লালকৃষ্ণ আদৱানীক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯৭৪ চনত কচ্চাথিবু দ্বীপ শ্ৰীলংকাক গতাই দিয়াৰ বাবে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰিছে।

৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে চলিত বিত্তীয় বৰ্ষত চতুৰ্থ ত্ৰিমাষিকত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৮ শতাংশ বা তাতকৈ অধিক হ'ব।

৪। সমগ্ৰ বিশ্বতে আজি ইষ্টাৰ পালন কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ-ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হোৱাৰ বিপৰীতে দেলহি কেপিটেলছ-চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা লালকৃষ্ণ আদৱানীক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰে। ৰাষ্ট্ৰপতিয়ে বৰ্ষিয়ান নেতাগৰাকীৰ বাসগৃহলৈ গৈ তেওঁক এই সন্মানেৰে বিভূষিত কৰে। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন উপৰাষ্ট্ৰপতি এম ভেংকেয়া নাইডু, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ সভাপতি জে পি নাড্ডা আৰু আদৱানীৰ পৰিয়ালৰ সদস্যসকল এই অনুষ্ঠানত উপস্থিত থাকে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে কৈছে যে, ভাৰতীয় ৰাজনীতিত লালকৃষ্ণ আদৱানীয়ে ৭ দশকৰো অধিক সময় ধৰি অদম্য নিষ্ঠা আৰু অসাধাৰণ দক্ষতাৰে দেশৰ সেৱা কৰি আহিছে। ১৯২৭ চনত কৰাচিত জন্ম গ্ৰহণ কৰা শ্ৰীআদৱানী ১৯৪৭ চনত বিভাজনৰ সময়ত ভাৰতলৈ আহিছিল। সাংস্কৃতিক

জাতিয়তাবাদৰ দৃষ্টিভংগীৰে আদৱানীয়ে সমগ্ৰ দেশতে দশক দশক ধৰি কঠোৰ পৰিশ্ৰম কৰি অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটৰ পৰিৱৰ্তন সাধনত অৰিহণা যোগাইছিল। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কৈছে যে, যেতিয়া জৰুৰীকালিন অৱস্থাই দেশৰ গণতন্ত্ৰৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছিল সেই সময়ত আদৱানীৰ দৰে অদম্য যোদ্ধাই স্বৈৰাচাৰী শক্তিৰ পৰা ৰক্ষা কৰাত সহায় কৰিছিল।

উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতিয়ে কালি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অনুষ্ঠানত প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধৰী চৰণ সিং আৰু পি ভি নৰসিমহা ৰাওৰ লগতে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কৰ্পুৰী ঠাকুৰ আৰু যশস্বী বিজ্ঞানী এম এছ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে বিভূষিত কৰে। সন্মানপ্ৰাপকৰ পৰিয়ালৰ লোকে ভাৰত ৰত্ন সন্মান গ্ৰহণ কৰে। ভাৰত ৰত্ন দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান। অসাধাৰণ আৰু উল্লেখনীয় সেৱাৰ বাবে এই সন্মান প্ৰদান কৰা হয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯৭৪ চনত কচ্চাথিবু দ্বীপ শ্ৰীলংকাক গতাই দিয়াৰ বাবে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰিছে। তেওঁ দেশৰ একতা, অখণ্ডতা আৰু স্বাৰ্থ দুৰ্বল কৰাটো কংগ্ৰেছৰ ৭৫ বছৰীয়া কৰ্মশৈলী বুলি দাবী কৰিছে। তামিলনাডু বিজেপিৰ মুৰব্বী কে অন্নামলাইয়ে তথ্য জনাৰ আইনৰ অধীনত কচ্চাথিবু দ্বীপ সম্পৰ্কে লাভ কৰা তথ্যৰ প্ৰতিক্ৰিয়া স্বৰূপে প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কয় যে, কংগ্ৰেছে অতি সহজে কচ্চাথিবু দ্বীপ শ্ৰীলংকাক গতাই দিয়াটো সচাকৈ আচৰ্য্যৰ কথা। তেওঁ কয় যে, কংগ্ৰেছৰ এই কাৰ্যই প্ৰতিগৰাকী ভাৰতীয়ক ক্ষোভিত কৰি তুলিছে আৰু তেওঁলোকে এতিয়া আৰু দলটোক কোনো কাৰণতে বিশ্বাস নকৰে।

০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে চলিত বিত্তীয় বৰ্ষত চতুৰ্থ ত্ৰিমাষিকত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৮ শতাংশ বা তাতকৈ অধিক হ'ব। মুম্বাইত আয়োজিত এখন বিনিয়োগ সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কালি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে উন্নত মুদ্ৰাস্ফীতি ব্যৱস্থাপনা আৰু স্থুল অৰ্থনৈতিক সুস্থিৰতাৰ বাবে ২০২৩-২৪ বিত্তীয় বৰ্ষত অৰ্থব্যৱস্থাৰ বিকাশ হাৰ একেই হোৱাৰ সম্ভাৱনা আছে। তেওঁ কয় যে ভাৰত এছিয়াৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা। অক্টোবৰৰ পৰা ডিচেম্বৰ পৰ্যন্ত ভাৰতৰ অৰ্থব্যৱস্থাৰ বিকাশ হাৰ ৮ দশমিক ৪ শতাংশ আছিল বুলি মনন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এই হাৰ পূৰ্বৰ ত্ৰিমাষিকৰ ৭ দশমিক ৬ শতাংশৰ তুলনাত অধিক বুলিও শ্ৰীমতী সীতাৰমণে প্ৰকাশ কৰে। তেওঁ কয় যে তৃতীয় ত্ৰিমাষিকত মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ৮ দশমিক ৪ শতাংশলৈ বৃদ্ধি পোৱাৰ পাছত বিভিন্ন অৰ্থনৈতিক প্ৰতিষ্ঠানে ভাৰতৰ বাবে নিজৰ মুঠ ঘৰুৱা উৎপাদন সম্পৰ্কীয় পূৰ্বানুমান বৃদ্ধি কৰিছে। এইক্ষেত্ৰত গোল্ডমেন চাক্স নামৰ গোলকীয় বিত্তীয় প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা পূৰ্বানুমান শেহতীয়া বুলি বিবেচিত হৈছে। প্ৰতিষ্ঠানটোৱে আগৰ পূৰ্বানুমান ১০ আধাৰপইণ্ট বৃদ্ধি কৰি ২০২৪ বৰ্ষত ভাৰতীয় অৰ্থব্যৱস্থাৰ বিকাশ হাৰ ৬ দশমিক ৬ শতাংশ হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০

সমগ্ৰ বিশ্বতে আজি ইষ্টাৰ পালন কৰা হৈছে। ধৰ্মীয় বিশ্বাস অনুসৰি ক্ৰুছবিদ্ধ কৰাৰ পাছত আজিৰ দিনটোত যিশুখ্ৰীষ্ট পুনৰ জী উঠিছিল। এই উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তৰ গীৰ্জা ঘৰসমূহত কালি মাজনিশাৰে

পৰা বিশেষ ইষ্টাৰ প্ৰাৰ্থনাৰ আয়োজন কৰা হৈছে। এই উৎসৱক নতুনৰ আৰম্ভণি আৰু বসন্তৰ আগমনৰ প্ৰতীক বুলি গণ্য কৰা হয়।

ইষ্টাৰ উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক ওলগ জনাইছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাযোগে কৈছে যে, যীশুখ্ৰীষ্টৰ পুনৰুজ্জীৱনৰ স্মৃতিত উদযাপন কৰা এই উৎসৱ মৰম, ভালপোৱা আৰু কৰুণাৰ প্ৰতীক। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ইষ্টাৰে স্বাশ্বত সত্যৰ বাৰ্তা দিয়ে আৰু সকলোকে ত্যাগ আৰু ক্ষমাৰ পথ দেখুৱায়। যীশুখ্ৰীষ্টৰ শিকনিসমূহে আমাক শান্তি আৰু সমন্বয়ৰ পথেৰে অগ্ৰসৰ হোৱাত সহায় কৰি আহিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি ধনখড়ে তেওঁৰ বাৰ্তাত কৈছে যে, যীশুখ্ৰীষ্টৰ পুনৰুজ্জীৱনৰ স্মৃতিত পালন কৰা ইষ্টাৰে মৰম ভালপোৱা, কৰুণা আৰু ক্ষমাৰ প্ৰভাৱৰ বিষয়ে সোঁৱৰাই দিয়ে। তেওঁ লগতে এই পবিত্ৰ উৎসৱে সকলোৰে জীৱনলৈ শান্তি সম্প্ৰীতিৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে এইবুলি আশা প্ৰকাশ কৰিছে যে, এই বিশেষ দিনটোৱে যেন নতুনত্ব আৰু আশাৰ বতৰা কঢ়িয়াই আনে। তেওঁ লগতে মানৱ জাতিৰ মাজত একতা আৰু শান্তিৰ কামনা কৰে।

০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰকে ধৰি কেইবাটাও বিষয়ক লৈ বিৰোধী দলৰ মিত্ৰজোট আই এন ডি আই এ আজি দিল্লীৰ ৰামলীলা ময়দানত সমাবেশৰ আয়োজন কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। এই সমাবেশত অংশগ্ৰহণ কৰি কেইবাজনো বিৰোধী নেতাই দৃঢ়তাৰে কৈছে যে সংবিধান আৰু গণতন্ত্ৰ ৰক্ষাৰ বাবে এই সমাবেশৰ আয়োজন কৰা হৈছে। যোৱা বছৰৰ জুন মাহত পাটনাত মিত্ৰজোট গঠন হোৱাৰ পাছত আই এন ডি আই এৰ নেতাসকলৰ এইখনেই হব প্ৰথমখন ৰাজহুৱা সভা। ভাৰতীয় জনতা পাৰ্টীয়ে বিৰোধীৰ এই সমাবেশৰ তীব্ৰ বিৰোধিতা কৰি কৈছে যে এয়া কোনো গণতন্ত্ৰ ৰক্ষাৰ সমাবেশ নহয়, বৰং "এটা পৰিয়াল বচোৱা" আৰু "দুৰ্নীতি লুকুওৱা সমাবেশ"। নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত সংবাদ মাধ্যমক উদ্দেশ্যি বিজেপিৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কৈছে যে এই দলসমূহে ভাৰতীয় ৰাজনীতিত বিশ্বাসযোগ্যতাৰ সংকটক প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপিয়ে বিশ্বাসযোগ্যতাৰ ৰাজনীতিৰে প্ৰতিশ্ৰুতি পূৰণ কৰি আহিছে। বিৰোধী দলসমূহে গণতন্ত্ৰ ৰক্ষাৰ বাবে একত্ৰিত হোৱা বুলি দাবী কৰিছে যদিও তেওঁলোকে পৰিয়ালকেন্দ্ৰিক ৰাজনীতি কৰি আনক কেতিয়াও আগবাঢ়িবলৈ নিদিয়ে বুলি বিজেপিৰ মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীত্ৰিবেদীয়ে লগতে কয় যে নিৰ্বাচনত জনসাধাৰণে বিৰোধীক উপযুক্ত উত্তৰ দিব। আম আদমী পাৰ্টীয়ে আন বিৰোধী দলৰ সৈতে একত্ৰিত হোৱা সন্দৰ্ভত মুখপাত্ৰগৰাকীয়ে কৈছে যে, চোৰ আৰু ঠগ বুলি আৱৰ্জনা জ্ঞান কৰা লোকসকলে বিৰোধী মিত্ৰজোটৰ সৈতে হাত মিলাইছে আৰু ই অদ্ভুত তথা আচৰিত ধৰণৰ দৃশ্য।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কাইলৈ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত ধাৰাসাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে। বতৰ বিজ্ঞান বিভাগে ওড়িশা, পশ্চিমবংগৰ গংগা নৈৰ

কাষৰীয়া অঞ্চল, ঝাৰখণ্ড, পূব মধ্যপ্ৰদেশ, মধ্য মহাৰাষ্ট্ৰ, বিদৰ্ভা আৰু চত্তিশগড়ত আজি পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। বিভাগটোৱে লগতে উত্তৰ কৰ্ণাটক, তেলেংগানা আৰু ৰায়েলছিমাত বুধবাৰলৈ গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। পৰৱৰ্তী ২-৩ দিনত মধ্য আৰু পূব ভাৰতৰ ভালেমান অংশত সৰ্বাধিক তাপমাত্ৰা ২ৰ পৰা ৩ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পাব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমান কৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি খেল দুখন অনুষ্ঠিত হ'ব। ইয়াৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। আনহাতে সন্ধিয়া চাৰে ৭ বজাত বিশাখাপট্টনমত হ'বলগীয়া দ্বিতীয়খন খেলত দেলহি কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব।

ইপিনে, যোৱা নিশা লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে পাঞ্জাব কিংছক ২১ ৰানত পৰাস্ত কৰে। পাঞ্জাব কিংছে ২০০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৭৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৯ ৰান কৰে।

০০০০

সমাপ্ত